**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-07-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ ৩ দিনীয়া ভ্ৰমণসূচীৰে ইন্দোনেছিয়ালৈ যাব।

২। কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত গুৱাহাটীত কাইলৈ আৰু পৰহিলৈ ব্ৰীকচ্ ৰাষ্ট্ৰৰ মাদক দ্ৰব্য বিৰোধী সংস্থাসমূহৰ মুৰব্বীসকলৰ বৈঠক অনুষ্ঠিত হ'ব।

৩। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে পহিলা জুলাইৰ পৰা ভি বি জি ৰাম জি আইন ২০২৫ সফলতাৰে বলবৎ হোৱাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে।

৪। ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে সুপ্ৰসিদ্ধ পাণ্ডৱনী গায়িকা তিজন বাইৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত আজি নিশা ব্ৰাজিল, নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈৰ পৰা ইণ্ডোনেছিয়া ভ্ৰমণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে পাৰস্পৰিক সহযোগিতাৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা কৰিব। ইণ্ডোনেছিয়াস্থিত ভাৰতীয় ৰাষ্ট্ৰদূত সন্দীপ চক্ৰৱৰ্তীয়ে জাকাৰ্টাত আকাশবাণীৰ সৈতে হোৱা সাক্ষাৎকাৰত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কাইলৈৰ পৰা ৮ জুলাইলৈকে প্ৰধানমন্ত্ৰী মোদীৰ ইণ্ডোনেছিয়া ভ্ৰমণকালত দুয়োদেশৰ মাজত অৰ্থনৈতিক বিনিময় শক্তিশালী হ'ব পৰাকৈ ন ন ক্ষেত্ৰ মুকলি হোৱাৰ সম্ভাৱনা আছে। দুয়োখন দেশৰ সম্পৰ্কৰ মাজত কোনো ধৰণৰ নেতিবাচক বিষয়ৰ সূচনা হোৱা নাই বুলিও তেওঁ উল্লেখ কৰে। শ্ৰী চক্ৰৱৰ্তীয়ে কয়, যে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজত কোনো বিষয়ত মত বিৰোধ বা বিবাদৰ সৃষ্টি হোৱা নাই আৰু বিকশিত ভাৰত তথা গোল্ডেন ইণ্ডোনেছিয়া গঢ় দিয়াৰ ক্ষেত্ৰত দেশ দুখনে শক্তিশালী কৌশলগত অংশীদাৰিত্বৰে কাম কৰি গৈছে। সৰ্বাত্মক কৌশলগত অংশীদাৰিত্ব সন্দৰ্ভত তেওঁ কয়, যে এই পদক্ষেপৰ কেইবাটাও গুৰুত্বপূৰ্ণ দিশ আছে। ইয়াৰ ভিতৰত প্ৰতিৰক্ষা আৰু নিৰাপত্তা অন্যতম বুলি তেওঁ কয়। তেওঁ কয়, যে সম্প্ৰতি ৩০ বিলিয়ন ডলাৰৰ বাণিজ্যৰ স্থিতিক ভৱিষ্যতে অধিক শক্তিশালী কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে। ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজত পাৰস্পৰিক বিনিয়োগ বৃদ্ধিৰ লগতে সামুদ্ৰিক প্ৰতিবেশী হিচাপে যোগাযোগ আৰু সামৰ্থবৰ্ধনৰ ক্ষেত্ৰতো দেশ দুখনে কাম কৰি গৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণকালত সামুদ্ৰিক সুৰক্ষা, মহাকাশ সহযোগিতা, তথ্য প্ৰযুক্তি বিজ্ঞানকে ধৰি বিভিন্ন ক্ষেত্ৰত কেইবাখনো চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ কয়।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত গুৱাহাটীত কাইলৈ আৰু পৰহিলৈ ব্ৰীকছ্ ৰাষ্ট্ৰৰ মাদকদ্ৰব্য বিৰোধী সংস্থাসমূহৰ মুৰব্বীসকলৰ বৈঠক অনুষ্ঠিত হ'ব। গৃহ মন্ত্ৰালয়ৰ অধীনৰ মাদৰদ্ৰব্য নিয়ন্ত্ৰণ সংস্থাৰ উদ্যোগত আয়োজিত এই বৈঠকত নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ আৰু ইয়াৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ব্ৰীকছৰ সদস্য ৰাষ্ট্ৰ আৰু দেশৰ মাদকদ্ৰব্য বিৰোধী সংস্থাৰ মুৰব্বী তথা জ্যেষ্ঠ বিষয়াসকলে মত প্ৰকাশ কৰিব। এই আলোচনাত মাদকদ্ৰব্য সৰবৰাহৰ বিৰুদ্ধে চোৰাংচোৱাৰ তথ্য বিনিময় আৰু কাৰ্যকৰী সমন্বয় শক্তিশালী কৰা, সামৰ্থ বৃদ্ধি আৰু প্ৰতিষ্ঠানগত সহযোগিতা বৃদ্ধি আদি বিষয়ত গুৰুত্ব দিয়া হ'ব। বৈঠকত অংশগ্ৰহণকাৰীসকলে নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ ক্ষেত্ৰত দেখা দিয়া ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰকে ধৰি ন ন প্ৰত্যাহ্বান দূৰ কৰাৰ বিষয়েও আলোচনা কৰিব। ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ মাজত মাদকদ্ৰব্যৰ সৰবৰাহক লৈ সৃষ্টি হোৱা সমস্যা নিৰ্মূল কৰাৰ বাবে উমৈহতীয়া ঘোষণা পত্ৰ গ্ৰহণেৰে এই বৈঠকৰ সামৰণি পৰিব।

০০০০

ভাৰতৰ অধ্যক্ষতাত ব্ৰীকচ্ ৰাষ্ট্ৰগোষ্ঠীৰ মহিলা কাৰ্যগোটৰ দুদিনীয়া বৈঠক কাইলৈ কেৰালাৰ কোচিত আৰম্ভ হ'ব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, বৈঠকত ব্ৰীকচ্ সদস্যৰাষ্ট্ৰৰ শীৰ্ষ চৰকাৰী বিষয়াসকলে অংশগ্ৰহণ কৰিব। বিষয়াসকলে বিভিন্ন খণ্ডত মহিলাৰ সৱলিকৰণ আৰু মহিলা নেতৃত্বাধীন বিকাশৰ সৈতে সম্পৰ্কিত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাত ভাগ লব। এই বৈঠকে সদস্য ৰাষ্ট্ৰসমূহক মহিলা নেতৃত্বাধীন বিকাশ সন্দৰ্ভত আলোচনা তথা সহমত পোষণৰ সুযোগ প্ৰদান কৰিব। উল্লেখযোগ্য যে ব্ৰীকচ মহিলা ট্ৰেকে ৪ টা মুখ্য বিষয়ক অগ্ৰাধিকাৰ দিছে। এইসমূহ হৈছে প্ৰশাসন আৰু নেতৃত্বত মহিলা, মহিলাৰ ডিজিটেল আৰু বিত্তীয় অন্তৰ্ভুক্তিকৰণ, মহিলা উদ্যমিতা আৰু কৌশল বিকাশ তথা জলবায়ু কাৰ্যকৰীতা, খাদ্য সুৰক্ষা আৰু পৰিপুষ্টিৰ ক্ষেত্ৰত মহিলাৰ ভূমিকা। এই বৈঠকে অহা ৮ আৰু ৯ জুলাইত হ'বলগীয়া ব্ৰীকচ্ ৰাষ্ট্ৰগোষ্ঠীৰ মহিলা মন্ত্ৰী পৰ্যায়ৰ বৈঠকৰ বাবে শক্তিশালী ভেটি গঢ়ি তুলিব বুলি মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে পহিলা জুলাইৰ পৰা বিকশিত ভাৰত গ্ৰামীন নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান-ভিবি জি ৰামজি আইন ২০২৫ সফলতাৰে বলৱৎ হোৱাকলৈ সন্তুষ্টি প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অভিযানৰ অধীনত ৰাজ্যসমূহলৈ ২৫ হাজাৰ কোটি টকাৰ সাহায্য মুকলি কৰি দিয়ে। মন্ত্ৰীগৰাকীয়ে কয়, যে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি কাৰ্যকৰী কৰিবলৈ তিনি বছৰৰো অধিক সময়ৰ প্ৰয়োজন হৈছিল, কিন্তু ভিবি জি ৰামজি আইনখন মাত্ৰ এদিনতে বলৱৎ কৰা হৈছে। শ্ৰী চৌহানে কয়, যে বিকশিত ভাৰতৰ লক্ষ্য পূৰণৰ দিশে দ্ৰুতভাৱে অগ্ৰসৰ হোৱাৰ উদ্দেশ্যে এই আইনখনৰ অধীনত পৰৱৰ্তী পাঁচ বছৰত দুই লাখ ৮৬ হাজাৰ পঞ্চায়তত সাত লাখ ৫০ হাজাৰ কোটি টকা বিনিয়োগ কৰা হ'ব।

০০০০

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰ্যালয়ে ভূটানে ভাৰতৰ পৰা ২০ শতাংশ ইথানল মিহলি পেট্ৰ'ল আমদানি কৰিবলৈ অস্বীকাৰ কৰা বুলি সামাজিক মাধ্যমযোগে প্ৰচাৰিত বাতৰি খণ্ডন কৰিছে। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে এই বাতৰি সম্পূৰ্ণৰূপে ভুৱা আৰু তেল বিপনন কোম্পানীসমূহে এনে ধৰণৰ কোনো প্ৰস্তাৱ আগবঢ়োৱা নাই। ভূটানলৈ ২০ শতাংশ ইথানৰ মিহলি পেট্ৰ'ল ৰপ্তানি কৰাৰ কোনো প্ৰস্তাৱ নাই বুলি মন্ত্ৰ্যালয়ে স্পষ্ট কৰি দিছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰ্যালয়ে লগতে জনসাধাৰণক মন্ত্ৰ্যালয় আৰু তেল বিপনন কোম্পানীসমূহৰ তথ্যহে বিশ্বাস কৰিবলৈ আহ্বান জনাইছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি সুপ্ৰসিদ্ধ পাণ্ডৱনী গায়িকা তিজন বাইৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে তিজন বাইয়ে তেওঁৰ শক্তিশালী কণ্ঠ, প্ৰভাৱশালী উপস্থিতি আৰু অনন্য উপস্থাপন শৈলীৰে মহাভাৰতৰ কাহিনী প্ৰস্তুত কৰি মঞ্চত জীৱন্ত কৰি তুলিছিল। তিজন বাইয়ে তেওঁৰ অসাধাৰণ প্ৰতিভা, সমৰ্পণ আৰু বছৰযোৰা কঠোৰ সাধনাৰে চত্তিশগড়ৰ চহকী পাণ্ডৱনী পৰম্পৰাক ভাৰতৰ লগতে বিদেশত স্বীকৃতি দিবলৈ সমৰ্থ হৈছিল বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। তেওঁ লগতে ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰচাৰৰ দিশত তিজন বাইৰ অৱদান সদায়ে স্মৰণীয় হৈ ৰ'ব বুলি উল্লেখ কৰে।

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এটা বাৰ্তাত তিজন বাইৰ অনন্য কণ্ঠ, শক্তিশালী প্ৰদৰ্শন আৰু অসাধাৰণ শিল্পৰ কথা উল্লেখ কৰি কয়, যে তেওঁ ভাৰতৰ বৰ্ণাঢ্য লোক সংস্কৃতিৰ পৰম্পৰাক বিশেষকৈ মহাভাৰতৰ কাহিনীসমূহক সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজলৈ লৈ গৈছিল। শ্ৰীৰাধাকৃষ্ণণে তিজন বাইৰ পৰিয়াল, তেওঁৰ সহস্ৰ অনুগামী তথা চত্তিশগড়ৰ জনসাধাৰণলৈ শিল্পীগৰাকীৰ মৃত্যুত সমবেদনা জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ বাৰ্তাত কয়, যে পাণ্ডৱনী গায়িকাগৰাকীয়ে চত্তিশগড়ৰ এই লোক কলাবিধৰ অনবদ্য প্ৰদৰ্শনৰ জৰিয়তে গোলকীয় স্বীকৃতি লাভ কৰিছিল। গায়িকাগৰাকীৰ মৃত্যু কলা সংস্কৃতিৰ জগতখনৰ বাবে এটা অপূৰণীয় ক্ষতি বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে কাইলৈৰ পৰা ছুইজাৰলেণ্ডৰ জেনেভাত হ'বলগীয়া কৃত্ৰিম বুদ্ধিমত্তা প্ৰশাসন সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ গোলকীয় আলোচনাত ভাৰতৰ প্ৰতিনিধিসকলক নেতৃত্ব দিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই গোলকীয় সন্মিলন হৈছে বিশ্বজনিন আৰু বহুঅংশীদাৰযুক্ত এখন মঞ্চ, যাক ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰস্তাৱৰ অন্তৰ্গত গোলকীয় ডিজিটেল চুক্তিৰ অংশ হিচাপে গ্ৰহণ কৰা হৈছিল। এই সন্মিলনে কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় প্ৰশাসনক আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত অনন্য সুযোগ প্ৰদান কৰিব।

০০০০

চৰকাৰে সামাজিক মাধ্যম ইনষ্টাগ্ৰামত ধন দি প্ৰচাৰ কৰা বিজ্ঞাপনত শিশুৰ যৌন শোষণ আৰু দুৰ্ব্যৱহাৰৰ সামগ্ৰীৰ প্ৰচাৰক লৈ মেটাক কঠোৰ সতৰ্কতা জাৰি কৰিছে। চৰকাৰী সূত্ৰই জনোৱা মতে, চৰকাৰে ইনষ্টাগ্ৰামত এনে ধৰণৰ বিজ্ঞাপন আৰু বিষয়বস্তুৰ প্ৰচাৰ বন্ধ কৰিবলৈ নিৰ্দেশ দিছে। ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে মেটাৰ পৰা ৭ দিনৰ ভিতৰত এই বিষয়ত বিস্তৃত স্পষ্টীকৰণ দাবী কৰিছে। ইয়াৰ পূৰ্বে মন্ত্ৰালয়ে ইনষ্টাগ্ৰামত এনে ধৰণৰ

আপত্তিজনক বিষয়বস্তুৰ প্ৰদৰ্শনক লৈ দাখিল কৰা তথ্যসমূহ পৰীক্ষা কৰে আৰু মেটাৰ সঁহাৰি বিচাৰি নিৰ্দেশ জাৰি কৰে।

০০০০

বাৰ্ষিক অমৰনাথ যাত্ৰা ব্যাপক উৎসাহ-উদ্দীপনাৰে আৰম্ভ হৈছে। যাত্ৰাৰ প্ৰথম দুদিনত ইতিমধ্যে ৩২ হাজাৰ ৩১৩ গৰাকী তীৰ্থ যাত্ৰীয়ে পৱিত্ৰ অমৰনাথ গুহা দৰ্শন কৰিছে। ইপিনে অমৰনাথ তীৰ্থ যাত্ৰীৰ চতুৰ্থটো দল আজি পুৱা কটকটীয়া নিৰাপত্তাৰ মাজত জম্মু ভগৱতী নগৰ যাত্ৰী নিবাসৰ পৰা ৰাওনা হয়। সৰু-বৰ ২১৯ খন বাহনেৰে ৰাওনা হোৱা দলটোত ছহেজাৰ ৭৩১ গৰাকী তীৰ্থযাত্ৰী আছে। ইয়াৰ ভিতৰত চাৰি হাজাৰ ১৩১ গৰাকী তীৰ্থ যাত্ৰীয়ে পৰম্পৰাগত পেহলগাম আৰু দুহেজাৰ ৫৯০ গৰাকী তীৰ্থযাত্ৰী বালটল পথেৰে অমৰনাথ গুহা অভিমুখে যাত্ৰা কৰিছে।

০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত আজি নিশা ডেৰ  বজাত ব্ৰাজিল, নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত ইতিমধ্যে ফ্ৰান্স আৰু মৰক্কো কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ফ্ৰান্সে যোৱা নিশা ফিলাডেলফিয়াত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পাৰাগুৱেক ১-০ গ'লত পৰাস্ত কৰে। অধিনায়ক কিলিয়ন বাপ্পে খেলৰ ৭০ মিনিটত পেনাল্টিৰ সহায়ত ফ্ৰান্সৰ হৈ বিজয়সূচক গ'লটো দিয়ে। ফ্ৰান্স কোৱাৰ্টাৰ ফাইনেলত মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে মৰক্কোৱে হিউষ্টনত অনুষ্ঠিত প্ৰথমখন প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কানাডাক সহজে ৩-০ গ'লত পৰাভূত কৰে। মৰক্কোৰ অজিডিনে উনাহিয়ে সুন্দৰ খেল প্ৰদৰ্শন কৰি দ্বিতীয়াৰ্ধত দুটা গ'ল দিয়ে। ছফিয়ান ৰহিমীয়ে খেলৰ অন্তিম সময়ত তৃতীয়টো গ'ল দিয়ে।

০০০০

সমাপ্ত